

# ৰূপৰ অন্তৰত ৰূপ


হেমন্ত মিশ্র

হেমন্ত মিশ্রের 'রূপের অন্তরে রূপ' বইটিকে সাম্প্রতিককালের একটি অসামান্য প্রকাশন বলা খুব অতিশয়োক্তি বোধহয় নয়।…… ……তিনি অধিকন্তু যা করেছেন বাংলা-সাহিত্যের ক্ষেত্রে তা তুলনাহীন ও অভূতপূর্ব। তাঁর প্রত্যেকটি কবিতার সঙ্গে একটি করে আশ্চর্য ছবিও তিনি গেঁথে দিয়েছেন।…… একত্রে এই দুই ভিন্নভাষী অথচ একাত্ম সৃষ্টির সংযোগে রূপের অন্তরে রূপ সত্যই এক অপরূপ সার্থকতায় পৌঁছেছে।

প্রেমেন্দ্র মিত্র

তাঁর কাব্যের মেজাজ রহস্যের ঘোমটা ঘেরা ……হেমন্ত মিশ্রের কবিতাবলীও এক ধ্যানলোকের পুষ্প প্রস্ফুটন।…হঠাতই এক সক্ষম চিত্রশিল্পীর হৃদয়ের জাগরণ ঘটেছে। রবীন্দ্রনাথের কাব্যগ্রন্থের কোনো একটি বিভাগের অতীতে নাম ছিল নিষ্ক্রমণ—এও তাই। ভিন্নতর এক অ-গতানুগতিক স্বাদ পেলাম।…বইটিতে কয়েকটি অপূর্ব চিত্র-কর্মও সংযোজিত হয়েছে।

দেশ



# ৰূপৰ অন্তৰত ৰূপ


হেমন্ত মিশ্ৰ



বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড

ৰূপৰ অন্তৰত ৰূপ
হেমন্ত মিশ্র

প্ৰকাশক ঃ অম্বিকাপদ চৌধুৰী
বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড
পাঠশালা-৭৮১৩২৫
বৰপেটা
শাখা
পাণবজাৰ, গুৱাহাটী-৭৮১০০১

১০, কৈলাস বোস ষ্ট্ৰীট
কলিকতা ৭০০ ০০৬

অলংকৰণ আৰু প্ৰচ্ছদ
হেমন্ত মিশ্র

© বীণা মিশ্র

প্ৰথম প্ৰকাশ নভেম্বৰ ১৯৮৯

মুদ্ৰণ
পূৰ্বোদয় প্ৰেছ
১০ কৈলাস বোস ষ্ট্ৰীট
কলিকতা-৭০০ ০০৬

মূল্য পঁচিশ টকা মাথোঁ

Roopar Antarat Roop
A collection of poems in Assamese
by Hemanta Misra
First Edition November 1989

# ভূমিকা

সার্থক ছবি আর কবিতা কি মনের একই রহস্যময় উৎস থেকে প্রেরণা পেয়ে একই পরম চরিতার্থতা ভিন্ন ভাষায় প্রকাশ করে ? বন্ধুবর শ্রীহেমন্ত মিশ্রের কাজ দেখলে ত তাই করে বলেই বুঝতে পারি। হেমন্ত মিশ্র সারা জীবন তুলির টানে আশ্চর্য সব ছবি এঁকে এসেছেন। সে সব ছবিতে দৃশ্যমান রূপলোকের এক অজানা বিস্ময়ের নব দিগন্ত উদ্ঘাটিত হয়েছে।

পরিণত বয়সে হঠাৎ একদিন হেমন্ত মিশ্রের হাতের তুলি কলম হয়ে উঠল। তুলির রঙ আর রেখা কলমের মুখে কাব্যরূপে ধ্বনিত হয়ে উঠল। অন্তরঙ্গ কাছের মানুষের মাঝে যাঁদের তিনি তাঁর এই নতুন রচনা শোনালেন তাঁরা যথার্থই মুগ্ধ অভিভূত হলেন। গুণী রসিকরা বলে থাকেন বটে যে শব্দেরও রঙ আছে, আছে দৃশ্যমান রঙ রেখার মধ্যেও ধ্বনির ঝঙ্কার। কিন্তু শিল্পের গহন সত্য বিষয়ে মহাজনদের সেই অনুমান কোনো এক সার্থক স্রষ্টার হাতে যথার্থই বাস্তবায়িত হয়ে উঠবে এটা যে একরকম আশাতীতই ছিল তা অস্বীকার করবার নয়।

হেমন্ত মিশ্র কিন্তু তাঁর 'রূপের অন্তরে রূপ' এর কবিতাগুলিতে সেই অসাধ্যসাধন করেই আমাদের চমৎকৃত করেছেন। এ বইটির কবিতাগুলি পড়তে পড়তে মুগ্ধ হওয়ার সঙ্গে রসিক পাঠক এই কথা জেনেই অবাক হবেন যে এই কবিতাগুলি লেখবার আগে হেমন্ত মিশ্র সারাজীবন শুধু রঙ রেখার তুলিই চালিয়ে এসেছেন। সার্থক চিত্রশিল্পীদের মনে নিজস্ব একটা রূপরঙের জগৎ থাকে, সে জগৎ বর্ণাঢ্য কিন্তু নীরব। হেমন্ত মিশ্রের বেলায় কিন্তু রূপরঙের জগতের পাশাপাশি একটি সরব ভাষার জগতও প্রথম থেকে নিশ্চয়ই ছিল। নইলে মনের নীরব রঙ রেখাকে শুধু সরব ভাষায় অনুবাদ করার চেষ্টা করে এমন স্বতস্ফূর্ত মৌলিক কাব্য রচনা করা যায় না।

হেমন্ত মিশ্রের 'রূপের অন্তরে রূপ' বইটিকে সাম্প্রতিক কালের একটি অসামান্য প্রকাশন বলা খুব অতিশয়োক্তি বোধ হয় নয়। কবি ও শিল্পী হেমন্ত মিশ্রের কাছ থেকে শুধু এই কবিতাগুলি পাওয়াই আমাদের কাছে যথেষ্ঠ হত কিন্তু তিনি অধিকন্তু যা করেছেন বাংলা সাহিত্যের ক্ষেত্রে তা তুলনাহীন ও অভূতপূর্ব।

তাঁর প্রত্যেকটি কবিতার সঙ্গে একটি করে আশ্চর্য ছবিও তিনি গেঁথে দিয়েছেন। এ ছবিগুলি তাঁর কবিতার চিত্রায়ন মোটেই নয়। গোড়ায় যা বলেছি এ যেন মনের সেই এক গহন রহস্য প্রেরণার ভিন্ন ভাষায় উদ্ভাসন।

একত্রে এই দুই ভিন্নভাষী অথচ একাত্ম সৃষ্টির সংযোগে ‘রূপের অন্তরে রূপ’ সত্যই এক অপরূপ সার্থকতায় পৌঁছেছে।

---

‘ৰূপৰ অন্তৰ ত ৰূপ’ৰ বাঙলা সংস্কৰণত প্ৰেমেন্দ্ৰ মিত্ৰই লিখা ভূমিকা।

কবি
আৰু
কাব্যপ্ৰেমিক
যি সকলে
মোক
অনুপ্ৰেৰণা
যোগাই আহিছে
তেওঁলোকলৈ

# পাতনি

মোৰ আত্মপ্ৰকাশৰ মাধ্যম ৰঙ আৰু তুলি। দেশ বিদেশত মোৰ চিত্ৰ-সম্ভাৰ প্ৰদৰ্শন কৰা সময়ত শিল্প বিষয়ক প্ৰশ্নৰ বাহিৰেও আন এটা প্ৰশ্নৰ সন্মুখীন হ'ব লগীয়া হৈছিল। প্ৰশ্নটো হ'ল আপুনি কি কবিতা লিখে ? মোৰ নেতিবাচক উত্তৰ শুনি সহৃদয় কলাৰসিক কেইগৰাকীমানে কোৱা কথাষাৰ আজিও মনত পৰে—আপুনি যদি সচাকৈয়ে কবিতা লিখা নাই তেনেহলে কবিতা লিখিবলৈ আৰম্ভ কৰিব পাৰে।

বেচ কেইবছৰমান আগতে এনেধৰণৰ এটা কথা মোৰ মনলৈ আহে ; সময়ে সময়ে আত্মপ্ৰকাশৰ যি কোনো মাধ্যমতেই এটা সীমাৰেখা দেখা দিয়ে, সেই কাৰণে আন এটা মাধ্যমৰ কথা চিন্তা কৰিব লগীয়া হয়। এনে অৱস্থাত মাজে মাজে ৰঙ তুলি এৰি থৈ শব্দৰক্ষৰ আশ্ৰয় লওঁ আৰু তাৰ ফলস্বৰূপে 'ৰূপৰ অন্তৰত ৰূপ'ৰ কবিতাবোৰে জন্মলাভ কৰে। কেইগৰাকীমান কবি সাহিত্যিক বন্ধুৱে ছবি বা চিঠিপত্ৰৰ তলত পৰি থকা বাঙলা আৰু অসমীয়া কবিতাবোৰৰ পৰা দুই এটা বাঙলা কবিতা বিচাৰি উলিয়াই পত্ৰপত্ৰিকাত প্ৰকাশ কৰি মোক উৎসাহিত কৰে। এনেদৰে অলপ ভৰসা পাই মই মোৰ কিছুমান কবিতা শ্ৰদ্ধেয় কবি প্ৰেমেন্দ্ৰ মিত্ৰ ডাঙৰীয়াক পঢ়ি শুনাওঁ। মই তেখেতৰ লগত শিল্পী হিচাপেহে পৰিচিত, হঠাতে আন এটা মাধ্যমত নিজকে প্ৰকাশ কৰিবলৈ চেষ্টা কৰা দেখি তেখেত খুব আনন্দিত হয়। মোৰ কবিতাবোৰে তেখেতক অকল আকৰ্ষণেই নকৰে এখন কবিতা সংকলন ছপাই উলিয়াবলৈ উৎসাহিতো কৰে। তাৰ উপৰিও সংকলনখনৰ পাতনিত তেখেতৰ অভিমত প্ৰকাশ কৰি মোক অনুপ্ৰাণিত কৰে।

উনৈচশ চৌৰাশী চনত বাঙলা 'ৰূপের অন্তরে ৰূপ' প্ৰকাশিত হয়। কিতাপখনে সুধী সমাজৰ সমাদৰ লাভ কৰাত মাতৃভাষাতো এখন সংকলন প্ৰকাশ কৰিবলৈ মন মেলো। কিতাপখনত আৰু কেইটামান কবিতা গাথি দি সজাইপৰাই 'ৰূপৰ অন্তৰত ৰূপ' অসমৰ পাঠক সমাজলৈ আগবঢ়ালো। কবিতাবোৰৰ মাজত সময়ৰ ব্যৱধান থকা গতিকে কেইটামান বিভিন্ন 'মুডৰ' কবিতাও ঠাই পাইছে।

সংকলনখনৰ প্ৰকাশৰ দায়িত্ব বাণী প্ৰকাশে হাতত লোৱা কাৰণে তেখেত সকলক আন্তৰিক ধন্যবাদ জনালো।


১১ ডিচেম্বৰ-১৯৮৭

হেমন্ত মিশ্ৰ

## সূচী


প্ৰতিধ্বনি ৩
ৰূপ আৰু অৰূপ ৫
দান প্ৰতিদান ৯
দুটি মন ১১
ৰাশিচক্ৰ ১৩
মৃত্যুঞ্জয় ১৫
বহুৰূপী ১৯
তোমাৰ মোৰ কাৰণে আৰু আছে যত প্ৰিয়জন ২১
স্পন্দিত জীৱন উলাহে ২৫
চূৰ্ণ দাপোণ ২৯
নৰ ভূস্বৰ্গ ৩১
সোণ কেঁচাসোণ ৩৫
ৰঙা ফিতাডালি ৩৯
ৰক্ত সূৰ্য মত্ত ৪১
স্বৰ্ণলতা তুমি আকাশী লতা ৪৩
যাত্ৰী ৪৫
মৰতৰ তৰা ৪৭
তুমি অধৰা ৪৯

সপোনৰ ছবি ৫৩
পপীয়া তৰা ৫৭
এটুকুৰা মেলাকাইট পাথৰ ৫৯
আধা পোহৰ আধা ছায়া ৬৩
মৌচাক শূন্য হৈ থাকে ৬৫
সময় ইয়াত অৰ্থহীন ৬৯
সোধে এটি প্ৰশ্ন গোপনে ৭১
স্মৃতিৰ ৰেকৰ্ডবোৰ ৭৩
লেখো কামীহাড় ৭৫
এই সুৰ এই ধ্বনি ৭৯
অন্তৰালত ৮১
মৃত্তিকামূৰ্তি ৮৫



ৰূ প ৰ

অ ন্ত ৰ ত

ৰূ প



## প্ৰতিধ্বনি

ব্ৰহ্ম মুহূৰ্ত, মধ্যাহ্ন
বা গধূলি পৰত
সন্ধ্যা আহ্নিকৰ
ধ্যান ধাৰণাৰ অন্তত,
শুনা নাই দেৱতাৰ কণ্ঠস্বৰ
সেই শঙ্খধ্বনি ।

নিবিড় জোনাক নিশা—
থিয় দিছো বিস্মৃত কালৰ
ভগ্নজীৰ্ণ মন্দিৰ প্ৰাংগনত ;
বটৰ শিপাবোৰ—
ডাইনীৰ চোকা শুকান আঙুলি
খামুচি ধৰে শেলাই-পৰা
সেউজীয়া পাথৰ ।
মকৰাৰ সূক্ষ্ম প্ৰলোভিত জালে
অলংকৃত মন্দিৰ দুৱাৰ ।
দেৱতা জাগিব জানো
এই মায়াপুৰীত—
শঙ্খ ঘণ্টা নীৰৱ যেতিয়া ?

হুহু বা ফেঁচাৰ ডাকে
বাদুলিৰ ডেউকাৰ শব্দে—ভাঙে নীৰৱতা
নিদ্ৰামগ্ন কালৰ—
গোপনে সংগোপনে মন্ত্ৰ উচ্চাৰণে
স্ৰোতস্বিনী মহাকাল বয়—
জোনালীৰ নীলাভ তটেৰে ।

ভয়ে আতংকে কাতৰ সিহঁত
তিমিৰে তিমিৰে ঘূৰি ফুৰে,
অভিভূত নহয় সিহঁত
জোনাকৰ নিস্তব্ধ আঘাতে।
মন্দিৰৰ অন্তৰ-বেদীত নহয়
মাথোঁ। ইয়াতেই—
বিধাতাৰ কপাট শূন্য
প্ৰকৃতিৰ মায়া প্ৰান্তৰত।

সৃষ্টি, স্থিতি, লয়ৰ শিখৰত বহি
শুনিবলৈ পোৱা নাই
অনাদিৰ আদি সুৰ,
অনন্তৰ নিত্য শঙ্খধ্বনি,
শুনো মাথোঁ প্ৰতিধ্বনি।

ভুল বা ভ্ৰান্তিতো কদাপি
নিবিচাৰো পৰম স্ৰষ্টাক
বিচাৰো সৃষ্টিক।
ভগ্ন জীৰ্ণ ক্ষতমুণ্ড পাষাণ প্ৰতিমাই
তোলে সপ্ত সুৰ—
মন্দিৰৰ চোতালত
খোদিত শিলাৰ
গোকুলৰ হেৰোৱা বাঁহীৰে।
নীৰৱ জোনালী নিশা—
ভাহি আহে মাথোঁ প্ৰতিধ্বনি
সৃষ্টিৰ প্ৰথম প্ৰভাতী গীত
ওঁ প্ৰতিধ্বনি।



রূপ আৰু অৰূপ

অপৰূপ জগতৰ মাজত
ৰূপৰ অন্তৰত ৰূপ-দিব্যৰূপ
কৰি কল্পনাত—
ৰূপ, প্ৰেম আৰু ভক্তিৰ ত্ৰিনয়নে
অমূৰ্তক ৰূপায়িত কৰে,
মূৰ্তিৰ জাগৰণ অনন্ত বেদীত
নিত্য নৱৰূপে।

অমূৰ্ত বিৰাজে মাথোঁ কল্পনাত
পূজো তাক কবি ৰূপদান,
প্ৰেম-চৈতন্যত ভাহে মূৰ্ত ৰূপ
খোজো নিৰাকাৰ—।
প্ৰেৰণাৰ দিশহীন পথ বিচাৰোঁতে
আকাৰত সমাপ্তি ঘটে
শালগ্ৰাম শিলা।

অমূৰ্ত চিন্তাৰ ধাৰা চক্ৰাকাৰে ঘূৰে
জ্ঞানৰ মন্দিৰত জ্ঞানী স্থিতি থুজি ফুৰে।
ভাল পাওঁ মাথোঁ ভঙা গঢ়া,
তাৰ মাজতে ঘটে দুৰ্ঘটনা,
কৈফিয়ৎ বিচাৰে—অৱশ্যে দিব পৰা নাই,
হেৰাও ছন্দৰ দোলনা ;
সেয়েহে সৃষ্টি ভাসমান
কল্পিত প্ৰতিমাক মুক্তি দিব খোজো।



প্ৰেমৰ প্ৰেৰণা বা তাড়ণাত
শবৰীৰ অনন্ত বিৰহত,
ইচুকুমুনিয়াৰ খোদিত শিলাত
প্ৰেম মূৰ্ত ৰূপ লভে।

মূৰ্ত শিল্পী
পশ্চিম দিগন্তত
ৰূপায়িত কৰিব খুজিছিল
উৰ্বশীৰ অনন্ত যৌৱন
আঁতৰাই মৰ্তৰ ৰূপহীৰ
মসৃণ মচলিন আৱৰণ।
বত্তিচেলিয়ে তাহানি এদিন
কল্পনাৰ ৰূপকল্পত
সানিছিল ৰঙ—
জন্ম দিবলৈ ভিনাচী যৌৱন।

মৰ্তৰ চিত্ৰায়নত বন্ধা এটি ৰূপ,
আকাশী নন্দনত গাথোঁ।
কল্পনাৰ নীল আভৰণ;
নিবিচাৰো বাট মই
তৰ্কৰ খহাবালিৰ মাজত
অথবা লওঁ বুলি কোনো হিচাপ নিকাচ।
বিচৰণ কৰিব খোজো উৰ্ধে তপোৰ্ধে,
প্ৰেৰণাৰ, কল্পনাৰ প্ৰাপ্তি বা অপ্ৰাপ্তিৰ শিখৰে শিখৰে।



## দান প্ৰতিদান

আনমনা গধুলিৰ অৰৱা আকাশ জুৰি
হেৰোৱা গানৰ সুৰ বন্ধা আছে এগুছি তাঁৰত,
বসন্তৰ আনন্দ গান তুলি থোৱা বহীৰ পাতত
লিখা আছে বৰ্ণহীন ছন্দহীন কৱিতাৰ কলি—আৰু
যৌৱনৰ স্মৃতি সনা নিসৰ্গৰ চিত্ৰ এখনি।
এফালি বগা পাল কঁপি কঁপি চলে ঢৌৰে ঢৌৰে,
মেঘবোৰ ক'ৰপৰা আহি দেহৰ জঁকা নাওখনি
ছাঁৰে আবৰি ধৰি মিছামিছি হাঁহে—মাথোঁ ভাবো,
মধুৰ স্বপ্নৰ সুখত দুঃস্বপ্নই দিয়ে যে আমনি।
স্মৃতিৰ ঢৌবোৰে কয় কাণে কাণে
পাব কি তৰাৰ পোহৰ জীৱনৰ বহু পথ বাকী?

তৰাৰ পোহৰ দান জীৱন সত্যৰ প্ৰতিদান।

ক'লা বা ধোৱাবৰণীয়া মুখ ওন্দোলাই থকা
কত বাষ্পময় মেঘ বগলি পাখিৰ দৰে বগা,
আবৰি ৰাখিছে জীৱনৰ ইকাল সিকাল;
ভাহি গ'ল সপোন আৰু সংগ্ৰামৰ মাজত
ইকাল সিকাল—বাকী মাথোঁ ৰৈছে একাল,
আশাৰ কণিকাবোৰে একে একে মিলি
বান্ধে কতবাৰ জীৱন নাৱৰ ছিৰা পাল।

জীৱন সত্যৰ দান তৰাৰ পোহৰ প্ৰতিদান।



## দুটি মন

দুটি মন চেতনাৰে ৰাঙলী ৰামধেনু ৰঙ,
পোহৰৰ আঁৰে আঁৰে খেয়ালী প্ৰতিমা
শুই থাকে দিনেৰাতি স্মৃতিৰ মেলত,
চকুৰ পতাত নামে ক্লান্তিৰ কাজল।
দেখিছো তোমাৰ কত মায়াবিনী ৰূপ
কত শত তাৰকাৰ আলোক পথত,
বিভীষিকা ঘেৰা কোনো পৰিত্যক্ত মঞ্চত,
সাৰ পাওঁ বাৰে বাৰে প্ৰহৰে প্ৰহৰে।

আকাংক্ষাৰ নিজৰাটি শাখা প্ৰশাখাৰে
বৈ যায় পাতে পাতে জীৱন পঞ্জীৰ।
সপোনে চৰায় তাত পূৰ্ণিমা জেউতি,
অথবা মৰুৰ তাপে শুহি নিব খোজে।
দুটি চেতনাৰ ৰূপ ভাহে দিগন্ত এখনি
মননৰ ভাষা বহ্নি জ্বলে তাৰ মাজে।
আচম্বিতে চকুত পৰে অকূলৰ অপৰূপ ৰেখা
আনন্দে আতংকে আঁকা কত ছবি বিস্মৃতিৰ আন্ধাৰ গুহাত।



## ৰাশি চক্ৰ

গণনা শুদ্ধ বা অশুদ্ধ হব পাৰে বুলি
একমাত্ৰ পৈত্ৰিক সম্পত্তি ৰাশি চক্ৰ লই
উঠিছিলো সুদূৰৰ যাত্ৰীবাহী এখনি বাছত
যোগ বিয়োগ হৰণ পূৰণৰ মাজত
কত যাত্ৰী দিনেৰাতি কত পথ অতিক্ৰম কৰে।
পালো আহি শেষ ষ্টপ, অচিনাকি চহৰ এখনি—
শুদ্ধ বা অশুদ্ধ, গণনাৰ ভুল বাছ ধৰি।

সুদীৰ্ঘ চাৰিটি ৰাজপথ জ্যামিতিৰ ৰেখা,
চাৰিআলি জলমল নিয়ন বাহাৰে,
কত শত অলিগলি—মানচিত্ৰ আঁকে
চাৰকুলাৰ ৰাজপথ ৰাশিচক্ৰ ঘেৰে।
যোগ বিয়োগ আৰু হৰণ পূৰণ
কৰে কি পূৰণ জীৱনৰ শত প্ৰয়োজন ?
আপোন তৃষ্ণাৰ পাকত বন্ধা এই জীৱন।

চাৰিআলিৰ মূৰত বহে বুঢ়ী মালিনী,
যুতি-জাই তগৰ আৰু কৰবীৰ কলি—
পাতিছে সুৰভি মেলা জীৱনৰ শীতৰ গধূলি।
কৈছিল ক্ষীণ সুৰে আজিও মনত পৰে
জন্ম মৃত্যু আৰু বিবাহ উছৱত
ফুলৰ আদৰ বাঢ়ে বেচা কিনা চলে,
ৰাশি চক্ৰৰ তিনিটি চাৰিআলিৰ মূৰত।

কনকনিয়া ঠাণ্ডা শীতৰ বতাহ বলে
পালো আহি ৰাশি চক্ৰৰ শেষ চাৰিআলি ।
কৰ্মব্যস্ত পথচাৰী উভতিছে জীৱন নীড়লৈ',
এজনেহে ৰাতি জাগে ক্লান্তিহীন যৌৱন তাপত
আৰিব লাগিছে অ'ত ত'ত অভিনয় বিজ্ঞাপন চিত্ৰ ।
নিজান শীতৰ ৰাতি কৈছিল গহীন স্বৰেৰে
জীৱনৰ অভিনয় ক'তনো আৰম্ভ হয়—এই চাৰি আলিৰ মূৰতে ।

স্বপ্নচাৰী পদক্ষেপে লৈ যায় অলিয়ে গলিয়ে,
দিশহৰা—পথৰ সন্ধানত হেৰাওঁ নিজকে ।
তথাপি বিচাৰি পাওঁ আপোন সত্তাক বাৰে বাৰে
কলুষিত জীৱনৰ আন্ধাৰ হিমৰ ৰাতি,
যূতি-জাই তগৰ আৰু কৰবীৰ
স্নিগ্ধ ৰঙ মাধুৰীৰে বোৱা জীৱনৰ হেৰোৱা সুৰত,
হয়তো বা অতীন্দ্ৰিয় স্বপ্নময় জগতৰ মাজত ।



মৃত্যুঞ্জয়

এই নিবিড় গবেষণাগাৰত
তাহাতে দিনেৰাতি কাম কৰে,
হিব্ৰু নে আন কোনো অচিন লিপিৰে লিখা
পুথিখন পঢ়ে আৰু লিখে,
সোণৰ আভাৰে ৰঙা
সোণ নহয়—
বিচাৰে দীপ্তিহীন সেউজীয়া সোণ ।

যৌৱনৰ চঞ্চল কৌতূহলী দিনত
এই শিলামূৰ্তিবোৰে,
কঠোৰ নিষ্ঠুৰ দৃষ্টিৰে
মাথোঁ কাম কৰে—আৰু
জীৱনৰ আয়ু কৰে অবক্ষয় ।

স্তব্ধতাৰ স্বৰে ভাঙে জীৱনৰ নিদ্ৰা,
বিচাৰে দীপ্তিহীন সেউজীয়া সোণ,
সোণৰ আভাৰে ৰঙা
সোণ নহয়—
বিচাৰে সেউজীয়া সোণ,
জিৰণিবিহীন এই জীৱন সুতিত ।

তাহাতে দলেবলে লৈ যায় মোক
সাগৰৰ বুকুত থকা সৰু দ্বীপলৈ,
সোণ বিচাৰি নহয়—
ৰূপ সলাবলৈ ;
গবেষণা সাধনাৰ অন্তত—
সবিতাৰ সোণালী আভাত
আৰম্ভণি মোৰ সাধনাৰ ।



কষ্টিপাথৰৰ বুকুত
সাধনাৰ প্ৰথম পুৰাতে
সেউজীয়া দেহৰ বৰণ
সলাও বাৰে বাৰে নিমিষে নিমিষে,
আজি মই সোণালী আভাৰে দীপ্ত।
মাথোঁ মায়া প্ৰলোভন বুলি
কটালো কতনো কাল সমাধিস্থ হৈ।

সাধনাৰ দ্বিতীয়া তিথিত
ছলনাৰ মায়ামৃগ
মই এটি স্বৰ্ণ নৰমূৰ্তি ;
পাইছো অৰূপ দেহ মুক্তি বিচাৰি
সাধনাৰ প্ৰহেলিকা মাজে।
অৰণ্যত জ্বলে দাবানল
লেলিহান অগ্নিশিখা
দগ্ধ প্ৰাণ মলিন এঙাৰ।

শুই আছো সেউজীয়া ছবৰি বনত
ভস্মৰ বেদীত লভি নতুন জীৱন ;
অগণন যুগবোৰ পাছত পেলাই
সাগৰ বুকুৰ এই সৰু দ্বীপটোতে
মোৰ হাতে চাই ৰওঁ বিধাতাৰ পিনে।

শ্যামল আকাশ ফালি বিজুলি চমকে
পিন্ধাব খুজিছে মোক কণ্টক মুকুট,
ব্যৰ্থ আজি বিধাতাৰ তপ্ত অগ্নিশিখা,
জাগি উঠো বাৰে বাৰে শ্যামল কান্তিৰে
অনিৰ্বাণ মৃত্যুঞ্জয় প্ৰাণ।

সোতৰ



বহুৰূপী

দূৰৰ পাহাৰ
অপৰাজিতা নীল আৱৰণে,
তুলিছে শুৱনি কৰি
ইন্দ্ৰনীল পূৱৰ আকাশ ।

আহাৰৰ ঘোলা পানী
টেৰাকটা ৰঙে
বৈ যায় নীল পাহাৰৰ
বুকুৰ মাজেৰে ।

ৰাশি ৰাশি ঢৌ খেলে
ছপৰ ৰ'দত,
পাতিছে ৰূপৰ মেলা
ৰূপালী হাঁহিৰে ।

চৌদিশে উচ্ছ্বসিত
পোহৰব কণা,
মুক্তি দিয়ে ৰেখাৰ বন্ধনে বন্দী
নিসৰ্গৰ ৰূপ ।

যৌৱনৰ নীল খামবোৰ
ঢৌৱে ঢৌৱে নাচে,
সোঁতৰ পাকত বুৰে
আবেলিৰ কোমল ৰ'দত ।

গধূলিৰ আবীৰ সেন্দুৰ
উজলাই দিগন্তৰ বুকু,
কৃষ্ণনীল পটত আঁকা
প্ৰতীকৰ প্ৰতিলিপি
উটি যায় দিনান্তৰ
টেৰাকটা পানীৰ সোঁতত।

সেয়েহে—
মই আজি অভিনেতা,
জীৱনৰ বিয়লি বেলিকা
সোমাওঁ তিমিৰ মঞ্চৰ
গ্ৰীন ৰুমত—
সজাই তুলিছো মোক
কত ৰঙ সানি—আৰু
কত পৰচুলা পিন্ধি।

থিয় দিছো—
কৃত্ৰিম আলোক-মঞ্চত
দৰ্শক আন্ধাৰত।
শুনাও পৰৰ বাণী
উচ্চৈঃস্বৰে—
বিশ্বামিত্ৰ ক্ৰোধ,
গম্ভীৰ নবাবী সুৰ,
সৰ্বহৰা মানুহৰ
ক্ষীণ আৰ্তনাদ—
তিমিৰ মঞ্চৰ
কৃত্ৰিম পোহৰত
বহুৰূপী সাজি।



## তোমাৰ মোৰ কাৰণে আৰু আছে যত প্ৰিয়জন

তোমাৰ মোৰ কাৰণে আৰু আছে যত প্ৰিয়জন
পৃথিৱীয়ে লৈছিল জন্ম—গোলাকাৰ অগ্নি পিণ্ড
শূন্য কৰি শান্ত অশান্ত অসীমৰ নীহাৰিকা পুঞ্জ।
তপ্ত ৰ'দ স্নিগ্ধ বায়ু দেহতন্ত্ৰী পূৰ্ণ,
স্থিৰ হিমগিৰি শিৰৰ আলয় শুষ্ক মৰুগৰ্ভ,
অবিচ্ছিন্ন লয়হীন তৰংগ প্লাবিত সমুদ্ৰ।
বিস্ফাৰিত অগ্নিগিৰি তীব্ৰ আবেগেৰে প্ৰজ্জ্বলিত
যুগৰ অন্তৰত যুগ বাতায়ন হিম প্ৰবাহিত,
শীতল নক্ষত্ৰ ৰশ্মিত উষ্ণ মানুহৰ দেহ,
স্তিমিত অন্তৰ জাগে শুনি বেদ বাক্য।

আন্ধাৰ গুহাৰ কোষ—জ্বলি উঠে আৱেগৰ জোঁৰ
অনিৰ্দিষ্ট পথে পথে কালচক্ৰ ঘূৰে দিনেৰাতি,
কপালৰ স্বেদ বিন্দু মচি দিয়ে বিজয় তিলকে ;
অগণিত আলোক বৰ্ষৰ ধ্বনি স্মৃতিৰ আশ্ৰয়ত স্তব্ধ
ভাঙিছো গঢ়িছো শাৰী শাৰী মানুহৰ প্ৰতিকৃতি স্তম্ভ,
খহি পৰে ধ্বংসৰ বিনিময়ে সযত্নে শোভিত
প্ৰকৃতিৰ লাৱণ্য উদ্যানত ডেউকা ভগা সোণালী ঈগল,
ত্ৰিসন্ধ্যাৰ মন্ত্ৰ গুঞ্জৰণ—আলোকিত স্মৃতি প্ৰেক্ষাগৃহ।

উষাৰ সোণালী কাঁৰে গুহাই গুহাই জ্বলায়
সংগ্ৰামী মানুহৰ আৱেগ সঞ্চিত প্ৰাথমিক ৰঙ,
জীৱনৰ নিত্যদানত সহস্ৰ শতিকা ধৰি
দুপৰৰ ৰবি ৰশ্মি আলোকিত বেবিলন পাৰ্থিনন,
নাইল নীল যমুনাৰ তীৰত আকাশচুম্বী দন্তৰ শিখৰ
খহি পৰে লৌহ যবনিকা প্ৰাচীন প্ৰাচীৰ।



প্ৰগতিৰ ছিৰীৰ দুকাষে দেখো উত্থান পতন কালিমা,
শক্তিৰ অপচয় দেখি জাগি উঠে প্ৰতিশক্তি নিষ্ঠুৰ দানৱ।
গবেষণাগাৰত ধৰা দিয়ে সৃষ্টিৰ আশ্চৰ্য মহিমা—
এটমৰ ৰঙা ঘোঁৰা পিঠিত তাৰ দুঃসাহসী সেনা,
বজ্ৰাঘাতত স্তব্ধ নীৰৱ নাগাচাকি হিৰোচিমা,
হতাশ উদাস হিয়া—উভতিলে তেওঁলোক
জননীৰ শ্যামল বীথিত ধুবলৈ হাতৰ কালিমা।

ৰীতি আৰু নীতিৰ ইতি—প্ৰকৃতিৰ লাৱণ্য ভূমিত
জ্বলে নৰানল তথাপি উভতি আহে বাৰে বাৰে
শুনাই শান্ত্বনাৰ করুণ স্তৱ গঢ়িবলে' বিশ্ব পুণ্যধাম।
বুদ্ধিৰ জটিল পাকেৰে কুৰি শতিকাৰ ভগীৰথে
নমাই আনিব খোজে কল্পনা বা পৰিকল্পনাৰে
অনন্তৰ চেতনা গঙ্গা সান্তৰ সীতাৰ গণ্ডিত।
বিপ্লৱীৰ তৃষাতুৰ প্ৰাণ—অমৃত আস্বাদ পূৰ্ণ নীৰ
তথাপি তৃষ্ণা নিবাৰণ কৰিবলে' জাগি নুঠে এখনি অন্তৰ।
খৰ বা প্লাবনৰ মাজে হতাশা টহলি ফুৰে
মুক্তিৰ মন্দিৰ কক্ষত ধনৰ বজাৰ বহে,
লোভ আৰু লাভৰ গধুৰ ভাৰে চেপি ধৰে বুকু,
প্ৰকৃতিৰ গতি ৰুদ্ধ আমাৰেই বিষাক্ত নিশাহে।
পাৰমাণৱিক শক্তি আজি আমাৰ হাতৰ মুঠিতে
ভ্ৰমিছে পক্ষিৰাজ শূন্যে মহাশূন্যে গ্ৰহ গ্ৰহান্তৰে।

স্বপ্ন বা দুঃস্বপ্নত মহাকাশ জুৰি কৰি বিচৰণ
চেতনাৰ ৰঙেৰে দেখো সপ্তৰ্ষিৰ আলোক মণ্ডল,
ব্ৰহ্মৰাত্ৰি হ'ল অৱসান—দেৱতাৰ আয়ু লৈ আহিছো উভতি
চিৰ আকাংক্ষিত মোৰ বসুধা কোলাত।

দ্যুলোক ৰশ্মিত দেখো আৰু ক্ষুদ্ৰ এই ভূমণ্ডল
দাবাৰ ছলনা ঢাল পতা আছে নগৰে চহৰে,
তুমি মই আৰু যত আছে প্ৰিয়জন—দাবাৰ গুটিকা
স্থিতিহীন সৰ্বহৰা ক্ষুধাতৃষ্ণা নগণ্য সমস্যা।
সভাই সভাই শুনো নৈতিক জ্ঞানৰ মহাজন বাণী
মানৱ কল্যাণ যজ্ঞত দিব বোলে নিজকে আহুতি—তথাপি
কিয়নো বয় ফাঁকিৰ মাকোৰে জীৱনৰ জটিল টেপেষ্ট্ৰি ;
ৰামধেনু ৰহন সনা আদৰ্শৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
জীৱনৰ নষ্ট চন্দ্ৰ টিমি টিমি জ্বলে।

যুগৰ অন্তৰত যুগ—তেওঁলোক
জন্ম মৃত্যুৰ আবৰ্ত ধৰি পালে বহুদূৰ,
থিয় দিছে যিহত আহি একবিংশ শতকৰ পদুলি মুখত
জীৱনৰ অপচয়—সহি কত বেদনাৰ অপমান বোজা
চাই আছে আমাৰেই পিনে দীপ্তিহীন স্তিমিত নয়ন।
মস্তিষ্কৰ কোষে কোষে দাবাৰ ছলনা সংকেত
বুকুৰ প্ৰাচীৰ মাজত নাই কোনো মৰুদ্যান, মৰু তুপৰৰ।
প্ৰিয়জনসকলৰ এজনেহে মাথোঁ কৈছিল বহুদিন আগে
আপোন বুদ্ধিৰ সতে অন্তৰৰ হ'ব কি মিলন ?
নেপথ্যে নবীন কণ্ঠৰ শুনো সেই মাভৈঃ বাণী
ভাগি গ'ল শেষ ব্যৱধান মৰ্ত নৰক একাকাৰ।
বিশ্বকৰ্মাই ভাঙি দিছে অন্তৰৰ সীমান্ত প্ৰাচীৰ
গঢ়িছে আকৌ এখনি মুক্তিৰ আলোক তোৰণ,
অন্তৰৰ অন্তৰত অসমাপ্ত হৈ ৰ'ল মাথোঁ বেদীখনি ;
আহৰণ কৰি দেৱতাৰ অমৰত্ব সোমালোহি সীমিত ধৰাত
তোমাৰ মোৰ আৰু আছে যত প্ৰিয়জন সকলৰ হকে
গঢ়িম আপোন হাতে বেদীখনি অন্তৰৰ অন্তৰ সত্তাত।



স্পন্দিত জীৱন উলাহে

দেখা পাওঁ কতবাৰ ৰূপহী ষোড়শী
চৈতন্যৰ স্তব্ধ নীলা পটৰ বুকুত,
দুটি মতি একেটি আধাৰ স্থিৰ বা চঞ্চল,
গতিত প্ৰবলা নাৰী আবৃত শ্যামল অঞ্চল
পাহাৰ পৰ্বত আৰু বিস্তীৰ্ণ প্ৰান্তৰ।
ৰচিছো কতনো গান সাধিছো স্বৰ দোতাৰাত
ফুটাই তুলিম বুলি সত্তা চিৰন্তন,
আঁকিছো জীৱন পটত বহু চিত্ৰলিপি
পূৰ্ণ কৰিছিল উলাহেৰে ৰঙৰ ভাণ্ডাৰ।

চৈতন্যৰ নিৰলাত শুভ্ৰ ডেউকা যুৰি,
এখনিৰ পৰা সৰে পূৰ্ণিমাৰ চাক-ভগা মৌ,
আনখনি মেঘে মেঘে বিজুলিৰ শৰ,
ধুমুহা বতাহ আৰু তুফানৰ আতংকিত স্বৰ ;
বন্ধা আছে বীণাখনি মল্লাৰ ৰাগত।
আন্ধাৰ শূন্যত নাচে ষোড়শী ৰূপহী,
প্লাবিত ধৰণীতল শাওনৰ বিষণ্ণ আবেলি ;
নিদ্ৰালসা নৈখনে কাঢ়ে এঙামুৰি
ধুই নিয়ে আশাৰ সুঘ্ৰাণ শ্যামল লখিমী,
আদিম ৰূপৰ কুঞ্জত ভাহে শতদল।

ৰূপালী পোহৰত মত্ত তৰংগমালা
দেখা পাওঁ নৃত্যৰত উৰ্বশী ভংগিমা,
উলাহৰ নীৰত কঁপে খেয়ালী প্ৰকৃতি
আপোন ৰংগমঞ্চত নাই চন্দ্ৰকান্তি,



ফাগুনৰ অগ্নিশিখা ৰূপৰ উলাহ—
বা' মাৰলীৰ মাজত শুনো হাহাকাৰ
শূন্যৰ বুকু ফালি উঠে আৰ্তনাদ।
জ্বালামুখীৰ তীব্ৰ উলাহত গলিত-লাভা,
তপ্ত ছায়াতল, স্তব্ধ আনন্দ গীত—শোকাশ্ৰুভৰা,
জীৱন্ত সমাধি আছিল জীৱনৰ জয়গান ভৰা,
উঠে সুৰ হিমাকাশ ভেদি—আদিম স্তব্ধতা।

অচেতন পাণ্ডুবৰ্ণ ধূসৰ মলিন পট
ভাহি যায় জীৱনৰ কুহেলিকা মাজে,
চৈতন্যৰ নীলালোক—ফুটিছে এখনি স্ক্ৰ'ল
অৰুণ দীপ্তিত মুক্ত পূবৰ দুৱাৰ।
চিৰ বসন্তৰ কোলাত ৰূপহীৰ দেহৰ ভূষণ
খহি পৰে বাস্তৱৰ স্থূল চন্দ্ৰহাৰ,
অতীন্দ্ৰিয় স্বপ্ননীল মহাকাশত ফুটে
ৰক্তকৰবী কলি স্পন্দিত জীৱন উলাহে।



চূৰ্ণ দাপোণ

জীৱন দাপোণ খনি
চূৰ্ণ হয় চকুৰ পলকে,
ক্ষয় হয় তিলে তিলে
পূৰ্ণিমাৰ জোন—
জ্যোতিৰ্ময় ৰবিৰ দাপোণ
অমানিশাৰ ঘোৰ আন্ধাৰত।
ঘূৰি আহে বাৰে বাৰে
শুক্লা পূৰ্ণিমা তিথিত
সৃষ্টিৰ বিচিত্ৰ ৰূপ
অবিচল ৰীতিৰ বন্ধন।

জীৱনৰ যৌৱনৰ
সফলতা বিফলতা ভৰা
মৰ্মৰ কবৰ—
শুই আছে শ্যামল বেদীত।
অদৃশ্য সুৰভিহীন
নিয়তিৰ পুষ্পবীথি
ঢাকে ছায়া মায়া জালে
মানুহৰ চকুৰ আঁৰত।

নৃত্যৰত ৰূপহীৰ,
নেপুৰ ঝংকাৰ,
কত পদ সঞ্চালন
কত ছন্দ দেহ ভংগিমাৰ
জোনাকৰ প্ৰহৰে প্ৰহৰে,

মচি দিয়ে অমানিশা
গাঢ় কালিমাৰে।

বিচাৰো আপোন মনে
আৱেগৰ টানে,
জানো মই—তেওঁ যে হেৰাল
ঘোৰ আন্ধাৰত।
হয়তো বা—কেতিয়াবা
যবনিকা হব উন্মোচন,
দেখা দিব—
ৰহস্য ৰশ্মিৰ মাজত
বিনাশী কালৰ বুকুত
অবিনাশী সত্তা।



নব ভূস্বৰ্গ

কাটি গ'ল বহু কাল
গিৰি শিখৰৰ
এটি কুটিৰত,
মন্ত্ৰমুগ্ধ ধ্যানৰত
দেৱদাৰু বনৰ মাজত।

সপোন মাধুৰী সনা
ৰঙ তুলিকাৰে
চেতনাৰ পটত মই
তুলিছো ফুটাই
চঞ্চল আলোক ৰেখা
নিসৰ্গ ৰূপৰ।

হৰণ কৰিছো
অপ্সৰাৰ নীলিম অঞ্চল
আবৰি ৰাখিম বুলি
দিগন্তৰ নগ্ন শৃংগবোৰ।
আকুল প্ৰাণেৰে সানো
পাহাৰৰ ৰঙা বোকা মাটি
সজাবলৈ' বাৰে বাৰে
হৃদয়ৰ পঁজা ঘৰখনি।

সপোনে দিঠকে মই
হেৰুৱাও নিজকে কতবাৰ,
নিজৰাব ক্লান্তিহীন
একেটি তানত,



গম্ভীৰ গৰ্জন শুনি
জল প্ৰপাতৰ।
অৰণ্যৰ আৰাহনে
ধীৰে ধীৰে নামি অহা
বাৰিষাৰ মেঘৰ আঁৰত,
মন্ত্ৰ মুগ্ধ ধ্যানমগ্ন
দেৱদাৰু বনৰ মাজত।
জ্বলাবলে' নেপাহৰো
দুপৰ নিশাত
অন্তৰৰ ক্ষীণ দীপশিখা
তৰাৰ পোহৰত।

বিষণ্ণ প্ৰভাত নামে
আলহী পদুলিমুখত,
চিনো নে নিচিনো জানো
হয়তো বা কুবেৰৰ দাস,
সোণালী লখিমী তোলে
ভূস্বৰ্গ চঞ্চল ;
বাজে ৰুদ্ৰ বীণা—
এৰি অহা পাহৰি যোৱা
নগৰীৰ তীব্ৰ কোলাহল।

মায়াৰ বন্ধন ছিঙি
বহু যুগ নীৰৱে কটাই
পালোহি আপোন ভূস্বৰ্গ,
ফুটাই তুলিম বুলি
আদিম বাস্তৱৰ নগ্ন ৰূপ
নৱ প্ৰতীকেৰে।

ৰঙ তুলিৰে নহয়
বাস্তৱৰ অতি বাস্তৱৰ
ত্ৰিশূলেৰে হানি—
দৈত্যাকাৰ চিমনিৰ
ধোঁৱা কুণ্ডলিৰে ঢকা
ধূসৰ আকাশত,
কুৱেৰৰ সঙ্গীতৰ
কৰ্কশ সুৰত,
ৰূপৰ অন্তৰত জগা
নৰ ভূস্বৰ্গত।



সোণ কেচাসোণ

সোণ বৰণীয়া
সোণ হালধীয়া,
সোণ চৰোৱা
সৰিয়হ ডৰা।

আঘোণৰ দুপৰীয়া
পথাৰ হালধীয়া,
পকা ধান হালে জালে
দাৱনী মতলীয়া।

আকাশত জিলিকে
সোণাৰু হালধীয়া,
বাও ধান খাই
চৰাই হালধীয়া।

জোনটি হালধীয়া,
আন্ধাৰত জিলিকে
জোনাকী পৰুৱা,
কেচাসোণ হালধীয়া।

সোণ গলে টোপাল সৰে
তৰাবোৰৰপৰা,
সোৱণসিৰিৰ
বালিৰ বুকুত
কেচা সোণ হালধীয়া।



হালধী ডৰা
যদিও সেউজীয়া,
বাটিলে পিহিলে
সৰে চকুলো হালধীয়া ।

মোৰ হিয়া
সদায় সেউজীয়া,
চেপিলে খুন্দিলে
নসৰে চকুলো
সোণ কেচাসোণ
হালধীয়া ।
সৰে চকুলো
সেন্দূৰীয়া ।

সেই চকুলোৰে
তিয়ালে মাটি
ফলিব সোণ কেচাসোণ
হালধীয়া ।
সোণ বৰণীয়া
কেচা সোণ হালধীয়া




ৰঙা ফিতাডালি

কঠালী চম্পাৰ ছায়া
আৰু এচমকা মাটি,
শেৱালিৰ বেণীত বন্ধা
ৰঙা ফিতাডালি ।
সোণ-মেঘে উজলাই
শেৱালিৰ হাঁহি,
ৰঙা ফিতা বন্ধা তাইৰ
চুটি বেণীডালি ।

দিন মজুৰ মই
নামিছো পাতালপুৰী
ক'লা-সোণখনি ;
ক'লা খাল ৰঙা চাকি
ভাহে সেই ছবি,
শেৱালিৰ বেণীত বন্ধা
ৰঙা ফিতাডালি ।

বান্ধে নে নেবান্ধে জানো
শেৱালিয়ে আজি
ৰঙা ফিতা ডালি,
তথাপিও ভাহি উঠে
মদাৰ পলাশ আৰু
শিমলুৰ ডালে ডালে
শেৱালিৰ প্ৰাণ ভৰা হাঁহি,
ৰঙা ফিতা বন্ধা তাইৰ
চুটি বেণীডালি



## ৰক্ত সূৰ্য মত্ত

নীলিম দীপ্তি হেৰাল স্বৰ্গৰ
ৰক্ত-সূৰ্য মত্ত,
তপ্ত ৰ'দত বিদীৰ্ণ আজি
দিগন্ত বিয়পি প্ৰান্তৰ।
শুষ্ক বালিৰ দলিচাত জ্বলে
তৃষ্ণা কাতৰ ৰেখা,
প্ৰকৃতিৰ ক্ৰোধ বুজে কি মানুহে ?
গৰ্ব কৰিছে খৰ্ব,
ৰক্ত-সূৰ্য মত্ত।

ফচল ফলোৱা স্বৰ্ণ ভূমিত
নাচিছে কঙ্কাল শুষ্ক,
আকাশ পাতাল হ'ল একাকাৰ
বসুধা হৃদয় ছিন্ন ;
দেখি বিভীষিকা ভয়ে আতংকে
স্তিমিত জীৱন ছন্দ।

স্ফুলিংগ পাখিৰে বান্ধিছে ডেউকা
কাল শগুনিৰ বেশে,
মেজাঙ্কৰিৰে সজোৱা প্ৰান্তৰ
মচিছে ৰাঙলী তেজে ;
ৰঙা মৰীচিকা পৰে যবনিকা
দগ্ধ জীৱন ছন্দ।
প্ৰকৃতিৰ ক্ৰোধ বুজে কি মানুহে ?
গৰ্ব কৰিছে খৰ্ব,
ৰক্ত-সূৰ্য মত্ত।



## স্বৰ্ণলতা তুমি আকাশীলতা

স্বৰ্ণলতা তুমি আকাশী লতা
সোণালী তাঁৰৰ গুচ্ছ কোমল নৰম
ফুটে বগা ফুল নিয়ৰৰ কণা।
আদি অন্তহীন তুমি স্বৰ্ণলতা
তুমি এটি বিচিত্ৰ জীৱন—
চিৰুলিন নীল সনা আকাশ তলত
কোমল তাঁৰৰ দেহ দোলে বতাহত।

দেখিছো জীৱন জুৰি শোষণৰ নিচা,
তোমাৰ অনাবিল ৰূপৰ মাজত
দেখা পাওঁ তাৰে এটি ৰূপ ;
তুমি ৰঘুমলা কোমল আকাশীলতা,
শ্যামৰূপ বিনিময়ে পোষণ কৰিছা দেহ
অৰিয়লিন ৰঙৰ আভাৰে।

আহাৰ বিচাৰি পাতা ছলনাৰ ফান্দ
সেউজীয়া পাতে ভৰা তৰুৰ শাখাত,
শুহি নিবলৈ অপৰৰ অৰ্জিত অন্ন
তোমাৰ লুকাই থকা লোভৰ শিপাৰে।
তৰুবনে হেৰুৱায় যৌৱন বাৰে বাৰে
ধূসৰ শ্যামল শোভা তেজহীন শেতা ;
জীয়াই আছা যুগ যুগ—ক্ষয়হীন দেহে
শ্যাম কান্তি উদ্ভিদ জগতৰ মাজে,
অৱসান নহয় তোমাৰ জীৱনৰ তৃষা
ৰক্ত পিপাসু তুমি আকাশীলতা।



## যাত্ৰী

মহাসিন্ধুৰ তৰঙ্গ ৰাশি হৈছে বিলীন
স্বপ্নময় সুদূৰৰ ৰঙীন দিগন্ত ৰেখাত,
ধীৰ আৰু সুদৃঢ় গতিৰে চলে মহাকাল ;
সহস্ৰ কালৰ বোজা সহস্ৰ শিকলি বন্ধা
স্বপ্ন ভাঙি লৈ যায় অতীন্দ্ৰিয় জগতৰ পিনে,
অন্ধকাৰ মহাকাশ জুৰি অগ্নিপিণ্ডবোৰে
আলোকিত কৰি ৰাখে অনন্ত যাত্ৰীৰ
আদিহীন অন্তহীন পথ।

সেই আলোক কণা আনিছে জীৱন তৃষ্ণা
জগাই জনা অজনাৰ এটি পৰম জিজ্ঞাসা।
চকুৰ আঁৰত বৈছা আমাৰেই বোজা
অদৃশ্য শিকলি বান্ধি লৈ যোৱা তুমি।
প্ৰণয়ৰ মধুৰ স্পন্দন, বিৰহৰ বহু ছিন্ন তাৰ,
জন্মৰ প্ৰভাতী গান, বিদায়ৰ শোকাতুৰ প্ৰাণ,
কত পুঞ্জীভূত বেদনাৰ খণ্ডে খণ্ডে  লিখা
সমাপ্ত অসমাপ্ত কত ইতিহাস।

নক্ষত্ৰ পোহৰে আজি অতলান্ত মহাসিন্ধু
জ্বলাই তুলিছে প্ৰেৰণাৰ দীপহীন শিখা,
পাইছে পৰম শান্তি তোমাৰেই সহযাত্ৰী
ধীৰে ধীৰে আগবাঢ়ি অনন্ত পথত।



মৰতৰ তৰা

গধুলিৰ ধুলি
আজি ধুসৰিত পৃথিৱী,
সন্ধ্যা নামে—
মচি দিয়ে
অস্তগামী সবিতাৰ
ৰঙীন দিগন্ত।

সমুজ্জ্বল হৈ উঠে
নক্ষত্ৰৰ আৰু এটি
নতুন জীৱন।
অমানিশাৰ তিমিৰ আন্ধাৰ—
নিস্তব্ধ বা কোলাহল প্ৰিয়
চৰে নিশাচৰ।

মোৰ নিদ্ৰিত প্ৰাণ
ভাহে অসীমত
মেলি দিয়ে এযুৰি ডেউকা।
মহাশূন্যৰ আন্ধাৰ ভেদি
বিলায় নক্ষত্ৰ-সন্ধানী প্ৰাণে
মৰতৰ মৰহা বাতৰি।

জাগৰিত হব বুলি
আকৌ এবাৰ
মোৰ এই অচেতন দেহ,

বহন কৰিছো যুগ যুগ ধৰি
নক্ষত্ৰ-সঞ্চিত এটি
আশাৰ আলোক।

সাৰ পাই—
চমকিত হৈ দেখো—
প্ৰিয়াৰ চকুত
ৰাতি জগা ৰঙচুৰা
স্থিৰ ছুটি তৰা
ম্লান কৰি দিব খোজে
নক্ষত্ৰ মণ্ডল।

দেখিছানে কেতিয়াবা
ধৰাতেই জ্বলি থাকে
অগণিত অচঞ্চল
যুৰি যুৰি তৰা—
আনন্দ ভৰা,
বেদনাৰ চকুলোৰে ভিজা,
হয়তো বা বিভীষিকা-ঘেৰা,
মৰতৰ শান্তি অশান্তিত
চিৰ জাগৰিত তৰা।



## তুমি অধৰা

কল্পনাৰ বাগত—
নে সপোন বিভোৰ
মাধবী নিশাত,
তৰিছিলো পালখনি
কূলহীন মহা সমুদ্ৰত।
কত দুৰ্গম পথহীন পথ
কৰি অতিক্ৰম বিচাৰিলো
এডোখৰ আশ্ৰয়ৰ ঠাই
তুষাৰে আবৃত
এটি চৰাইখানাত।

অগণিত ৰশ্মি-শৰে
বিন্ধিব লাগিছে দেহ,
এৰি থৈ মাজনিশা
শয্যাৰ উষ্ণতা,
স্বপ্নচাৰী মানুহৰ দৰে
খুলিছিলো দুৱাৰখনি
চৰাইখানাৰ।

ছাট মাৰি মুখখন
ৰঞ্জিত আঁচলে
তেওঁ মোক কলে—
নহলে বা তুমি মোৰ
প্ৰিয় সহচৰ
চিনিছো তোমাক,
তুমি মোৰ চিৰ পৰিচিত।



একেটি সুৰেৰে তোলো
অসীম মঞ্চত
ৰঙৰেই এটি খলকনি।
তুমি মাথোঁ।—
নিভৃত কক্ষত বোৱা
সেউজীয়া প্ৰাণৰ ৰঙেৰে
জীৱনৰ জটিল টেপেষ্ট্ৰি।

দিগন্তৰ তন্দ্ৰা ভাঙি
কচমিক বায়ু,
উজাৰি ঢালিছে মোৰ
ৰঙৰ সঁফুৰা,
নৃত্যৰত আজি মই
দুপৰ নিশাত
অসীমৰ শূন্য কাননত।

ভাহিব লাগিছো মই
দিগন্তৰ ওপৰত
বহু বহু ওপৰত—
সানি ৰঙা, হালধীয়া,
গুলপীয়া, সেউজীয়া,
আৰু কত তিলোত্তমা আভা,
মধুময় মাধবী নিশাত
**সান্ত আৰু অনন্তৰ**
**মচি ব্যৱধান!**

ৰ লাগি চাই ৰওঁ,
মুগ্ধ মই তোমাৰ ৰূপত,
ঢালিছা নৃত্যৰ ছন্দেৰে
ৰঙৰ সঁফুৰা ।
আঁতৰাই মায়াজাল
অসীমৰ বক্ষ তুমি
কৰি আলোকিত
স্থাপন কৰিছা সেই দুৰ্লভ মুকুট,
তোমাৰ শেষ উপহাৰ ;
তুমি অধৰা তুমি অৰৰা
তুমি অৰৰা বৰিয়ালিচ ।



## সপোনৰ ছবি

সপোনৰ মাধৰী নিশা ক'তনো হেৰাল,
অন্তহীন নীলিমাৰ নিৰলা চন্দ্ৰতাপ
শুৱনি কৰিছে এটি তৰাৰ পোহৰে ;
হিয়া ভৰা প্ৰেম আৰু আনন্দ অমৃত
উচ্ছ্বসিত আজি তোমাৰ ওঁঠৰ পৰশে ।

অনাগত যুগবোৰে চাই আছে সতৃষ্ণ নয়নে
শুহি নিবলৈ মোৰ প্ৰেম আৰু আনন্দৰ ৰস ।
ধূৰলি কুঁৰলি সো মৰুৰ বুকুত
একাবেঁকা পথেৰে চলে কেৰাভেন ;
নাজানে যে ক'ত তাৰ পথৰ সমাপ্তি ;
সংগ্ৰামৰ ক্লান্তি মাথোঁ হ'ব পাৰে শেষ
ভৰি দিব পাৰিলেহে দুৰাৰদলিত ।

দেখা পাওঁ সুদূৰত এটি মৰীচিকা
ভুলাব লাগিছে সেই অভিযান পথ,
প্ৰলোভিত লক্ষ্যচ্যুত দুৰ্ভগীয়া যাত্ৰী
আজি মোৰ করুণাৰ পাত্ৰ ।

যদিও বা দেহ মোৰ দুৰ্বল নিস্তেজ
সাতুৰিছো তৰংগিত মন-সমুদ্ৰত,
বিচাৰিছে উত্তাল তৰংগ মালাই
ঢালিবলৈ' প্ৰাণভৰা ৰঙৰ ভাণ্ডাৰ ;
অস্থিৰ চঞ্চল চিন্তাৰ বুদবুদবোৰে
তুলিছে ৰাঙলী কৰি সমুদ্ৰৰ বুকু ।



সংগীহীন তৰাটি জ্বলে মোৰ লগে লগে
উষাৰ কিৰণে তাক নিৰ্বাসিত কৰে।

অসহায় প্ৰাণ মোৰ—বন্দী মই
তোমাৰ খেয়ালী বাহু যুগলত,
ঈৰ্ষান্বিতা প্ৰেয়সী মোৰ—
তোমাৰ প্ৰতিশ্ৰুতি প্ৰেম প্ৰতিদান
সিও কি বিলীন হ'ব সপোনৰ মাধৱী নিশাত ?



**পপীয়া তৰা**

স্বৰ্গৰ অগ্নিশিখা
তাৰেই স্ফুলিংগ ৰাশি
মিলি যায় দিগন্তৰ
নীলা আঁচলত ।
তুমি পৰশ কাতৰ
পৰশিব নোখোজা মোৰ
ক্ষুদ্ৰ এই সীমিত ধৰা ।

আজি এটি সন্ধ্যা নামে
বিফলতা ভৰা,
তুমি এটি স্বৰ্গ ভ্ৰষ্টা
পপীয়া তৰা ;
আপোনাতে আপুনি বিলীন হৈ
সোঁৰৰাই দিয়া
নীলা পটত লিখি
অসীমৰ শূন্যতাৰ গান ।

মই ওৰে দিন ওৰে ৰাতি
গাঁথিছিলো এধাৰি
কৰিতাৰ সাতসৰি ।
অবাঞ্ছিত তুমি আজি
অলকাৰ অনন্ত লোকত ;
শূন্য কৰি মহাশূন্য
মহাকাল কোলা
বৃথাই সজালা তুমি
প্ৰজ্জ্বলিত শিখা ।

মোৰ প্ৰেমেৰে গঢ়া,
মোৰ তেজেৰে ৰঙা
কৰিতাৰ কলি,
তোমাৰ আত্মদান হোমাগ্নিত
দিলা যে আহুতি ।
তুমি এটি স্বৰ্গভ্ৰষ্টা
পখীয়া তৰা,
কক্ষচ্যুত স্বৰ্গৰ
এটি অগ্নিশিখা ।



এটুকুৰা মেলাকাইট পাথৰ

কত যুগৰ কত শত বছৰৰ
ব্যৱধান আঁতৰাই তুমি—
মোৰ আগত স্মৃতিৰ দাপোণখনি
দাঙি ধৰিছা,
তুমি মোৰ চকুৰ আগত
অতীত গৌৰৱৰ সৌৰভ বিলাব খুজিছা ।

এই আকাশচুম্বী দুৰ্গৰ
ৰঙা ইটাৰ ৰঙে—
মোৰ দেহৰ শেলুৱনী ভেদ কৰি
ধমনীৰ তেজৰ সোঁতত মিলিব লাগিছে ।

তুমি এটি সেউজীয়া মৰ্মৰ মূৰ্তি
এটুকুৰা মেলাকাইট পাথৰ,
সগৰ্বে খোদাই কৰা
অজ্ঞাত কোনো ভাস্কৰৰ হাতৰ পৰশে ।
তাহানিৰ নীৰৱ দ্ৰষ্টা আজি তুমি
বুৰঞ্জীৰ সৰৱ এটি পৃষ্ঠা ।

তোমাৰ স্তব্ধ প্ৰাণৰ,
শীতল দেহৰ বা' ছাটিয়ে
তোলে সেই এটি সুৰ—
কোনো এক ৰাজত্বৰ,
কোনো এক গৌৰৱৰ,



কোনো এক শোষণৰ,
বিস্মৃত কাহিনী।

তাৰেই নীৰৱ ধ্বনিত
খহি পৰে ৰঙা—তেজ ৰঙা
ইটাৰ প্ৰাচীৰ,
সিংহদ্বাৰ হৈছে মুকলি
যদিওবা চাবিকাঠি
তোমাৰ মুঠিত।

এই নীৰৱ সুৰ
আৰু স্তব্ধতাৰ তানে
আবৰিছে দুৰ্গ প্ৰাঙ্গনৰ
মহাকাল খণ্ডনৰ যন্ত্ৰটিৰ বুকু
ঠাণ্ডা বা'-ছাটিয়ে,
শীতল সেউজীয়া আভাই
জীৱনৰ মহাশূন্যতাক
অৱৰোধ কৰে।



## আধা পোহৰ আধা ছায়া

আধা পোহৰ আধা ছায়া
ৰাতিৰ অপ্সৰা
ৰূপে ৰসে গন্ধে উতলা ;
ওৰে দিন ঢিমি ঢিমি জ্বলা
জুইকুৰা,
জ্বলাই তুলিছে
লালসাৰ তপত নিশাহে ।

চুৰট, এচেঞ্চ আৰু
সুৰাৰ সুৰভি
স্পন্দিত কৰিছে
মৰ্তৰ নন্দনকানন ।

আধা পোহৰ আধা ছায়া
এই পৰিবেশ—
অশ্বমেধ পৰ্বৰ সূচনা ;
বাৰে বাৰে দেখা পাওঁ
যজ্ঞৰ আহুতি
আঠুভগা ৰেচৰ ঘোঁৰাটো ।

দুৰ্বাৰ শক্তি তাৰ
অতৃপ্ত দেহৰ বিলাস,
সাৰটি ৰাখিছে তাক
তন্বী দেহটিয়ে,

চকু দুটি তাইৰ
হীৰাৰ টুকুৰা,
আধা পোহৰ আধা ছায়াত
ক্ৰুদ্ধ শংখচূড়।
বাৰে বাৰে দেখা পাওঁ
যজ্ঞৰ আহুতি
আঠুভগা ৰেচৰ ঘোঁৰাটো।



মৌচাক শূন্য হৈ থাকে

হিয়াৰ মাজত মোৰ
মৌচাক শূন্য হৈ থাকে,
পাৰিছো কি কৰিব পূৰণ
আনন্দ ৰস ঢালি অহৰহ ?
মায়াময় নিশাৰ সপোন
দুহাতে সাৱটি ধৰো,
থিতাতে হেৰাই যায়
পুৱাৰ সোণালী ৰ'দত।

ৰঙীন ডেউকাৰ সুৰ
ক্লান্ত হৈ হেৰায় গধূলি-বনত,
হাচনাহানাৰ সুৰভি স'তে
ভাহি আহে দখিণৰ জুৰ বতাহত।

সুদূৰৰ তুষাৰ মুকুট
পুৱা বা গধূলি পৰত—
আবীৰে সেন্দূৰে সাজি
পঠিয়ায় বৰ্ণালীৰ ভাৰ—উপহাৰ
ক্ষুদ্ৰ এই মৌচাকলৈ।

ছায়াৰ আঁৰতে হাঁহো,
ছায়াৰ আঁৰতে চকুলো টোকো,
অজনা নীৰৱ বেদনাত।
মুকুতা মাণিক হীৰাই
কিয়নো পেলাই ছাটি



বিষাদ-ছায়াৰে
হৃদয়ৰ মৌচাকখনি ?

কিয়বা পালোহি আহি
তোমাৰ শ্যামল ভূমি
মৌ চুহি বসন্তৰ পৰাগে পৰাগে ?
পৰিছে চকুত মোৰ
তোমাৰেই অন্তঃপুৰত
ঐশ্বৰ্যৰ খনি ।
সৃষ্টিৰ আনন্দ মাজত
বিষাদৰ ছায়া ৰেখা কোনেনো টানিছে ?

আপোন ৰূপৰ মোহত,
আপোন গৰ্বত
ভাহি আছে অতলান্ত আটলাণ্টিক,
প্ৰশান্ত জলধি—তথাপি
তোমাৰ চকুৰ লোৰে গলাব নোৱাৰে
দয়াহীন মায়াহীন গ্ৰেনাইট পাথৰ ।



### সময় ইয়াত অৰ্থহীন

কালৰ চকাৰ বৃত্ত ভাগিছিল বহু যুগ আগে
তাৰে এটুকুৰা আজিও ইয়াতে পৰি আছে,
সেন্দুৰীয়া পাহাৰী পথ—ধেনুব নিচিনা বেঁকা
নীৰৱ শূন্যতাৰ কুঁৱলিৰে ঢকা ;
জোপোহা গছেৰে বননীৰ বুকু ভৰা—
ফুটে ডালে ডালে ৰডডেনড্ৰন কলি—তেজৰঙা,
সময় ইয়াত অৰ্থহীন অলীক ভাৱনাৰ এটি কবিতা।

কালৰ চকা অচল ইয়াত পাথৰ চটাও জঠৰ,
দেহে-বেশে জৰাজীৰ্ণ বুঢ়াবুঢ়ীহঁতে
ওৰে দিন পাথৰ ভাঙে হাতুৰী বটালীৰে।
কিয়নোবা আহে যায় কাৰ বাবে নাজানে সিহঁতে,
সময় ইয়াত স্থিৰ অলীক ভাৱনাৰ এটি কবিতা।

এই জঠৰ শিলৰ পিঠিত সেউজীয়া গছেপাতে
তেজৰঙা ৰডডেনড্ৰন কলি কেলৈবা ফুলে আৰু সৰে,
সময় ইয়াত অৰ্থহীন অলীক ভাৱনাৰ এটি কবিতা।



### সোধে এটি প্ৰশ্ন গোপনে

নীৰৱ প্ৰাণৰ ভাষা
আয়ত চকুৰ  কবিতা,
গানৰ সৰৱ সুৰ
পখীৰ গলাত সাধা।

নীৰৱ সন্ধ্যাৰ আগমনী
দেউলৰ দীপ-শিখা,
নিজৰাৰ কলতান
সময়ৰ তালে বন্ধা।

পথিক আগুৱাই যায়
জিলিৰ ঐক্যতানত,
ৰাতিৰ গহীনতা বাঢ়ে
পহৰী ফেঁচাৰ ডাকত।

জিলমিল বিজুলি ৰেখা
ডাৱৰৰ বুকুত হাঁহি,
সৰগৰ অগ্নিশিখা
অন্তৰত মুক্তিৰ বাঁহী।

আনন্দ শোকৰ অশ্ৰু
প্ৰাণৰ নিয়ৰ কণা,
তুলি কলমৰ মুখত ফুটা
নীৰৱ প্ৰাণৰ বেদনা।

পুৰতি নিশাৰ সপোনে
সোধে এটি প্ৰশ্ন গোপনে।



## স্মৃতিৰ ৰেকৰ্ডবোৰ

দখিণৰ পদুলি মূৰত
একাবেঁকা কামীহাড়—অকলশৰীয়া
এজুপি বোগেনভিলা—
বসন্তৰ বাটচাই ৰৈছে থিয়হি ।
বুকুভৰি পিয়ে পুৱাৰ সোণালী পোহৰ,
টোপনিত লালকাল নিজম সন্ধ্যাত,
শীতৰ বতাহে কঁপায় জৰজৰীয়া জঁকা ।
ধোঁৱাত ধুসৰ হৈ উঠিছে চৌদিশ
তথাপি সন্ধ্যাটি মধুৰ—
দেহ মন ভৰি উঠে পুৰবীৰ সুৰ ।

স্মৃতিৰ খিৰিকিখনি খোল খায় ধোঁৱাৰ মাজত
শুনো যানবাহনৰ কতনো আৱাজ,
হেডলাইট জলমল—
আন্ধাৰত জ্বলে যেন মেকুৰীৰ চকু ;
তথাপি ভাল পাওঁ এই শীতৰ সন্ধ্যাটি ।

স্মৃতিৰ ৰেকৰ্ডবোৰ যন্ত্ৰহীন—
কিন্তু আজিও বাজিছে ।
ফুলিছিল গোলাপ কলি বহু যুগ আগে
ফুলনিৰ মাজে মাজে আৰু চুকে কোণে,
কঁাইটীয়া গোলাপৰ গুলপীয়া পাহি
আজিও সৰিছে মোৰ স্মৃতিৰ বনত ।

নোৱাৰিলে আকুৰিঁবাখিব গোলাপ.কাঁইটে
তোমাৰ যৌৱনে বোৱা নীলাভ আঁচল,
নুফুটে শীতৰ বনত গোলাপৰ কলি
তোমাৰ বুকুৰ উষ্ণ তেজৰ নিশাহে ;
বসন্তৰ গোলাপ বনে হেৰুৱালে শৰতৰ নীল ।
চকুৰ তৰাত নুফুটে আৰু যৌৱনৰ মায়া
টানা যদি বাৰে বাৰে কাজলৰ ৰেখা ।




## লেখো কামীহাড়

মোৰ
ৰাতি নাই
দিন নাই
কেৱল আবেলি আৰু পুৱা
সময় কটাও
নৈৰ পাৰত,
ঘোলা আৰু কেহা তাৰ পানী ।
ঢৌ নেলেখো
লেখো কামীহাড় ।

ল'ৰাহঁতে
আবেলি আৰু পুৱা
নাচে খেলে,
নাছুৰি সাতুৰি থাকে,
লেখো মাথোঁ সিহঁতৰ কামীহাড় ।

মোৰ
ৰাতি যায়
দিন যায়
আকাশে ৰঙ সলায়,
পাহাৰটোৱে কামীহাড় দেখুৱায় ।

বছৰ আহে
বছৰ যায়
ল'ৰাবোৰ একোটা জঁকা হৈ যায় ।



যুগ আহে
যুগ যায়
পাহাৰটোও জঁকা হৈ যায়।

মোৰ
ৰাতি নাই
দিন নাই
কেৱল আবেলি আৰু পুৱা
সময় কটাও
লেখি মাথোঁ। সময়ৰ কামীহাড়।



## এই সুৰ এই ধ্বনি

অভিনয় মঞ্চ নহয়
নহয় দিগন্তৰ বুকুৰ এখনি উন্মুক্ত দুৱাৰ,
য'ত শৈশৱৰ স্মৃতি আহে আৰু যায়
কোনো অচিনাকি নৰাগত আলহীৰ দৰে।

ছায়াৰ প্ৰতীক প্ৰতিমা
নিষ্প্ৰভ পোহৰত খহি পৰে মায়া আৱৰণ,
গ্ৰীষ্মৰ ৰ'দত দগ্ধ, বৰ্ষাৰ বাৰিৰে স্নিগ্ধ
সঙ্গোপনে ৰাখে প্ৰাণৰ আকুল কথা,
কালৰ ক্ষয়ৰ মূৰ্তি স্বপ্নৰ সাঁচত ঢলা
ছন্দ লালিত্য পূৰ্ণ তথাপি নুফুটে ভাষা।

এই শ্বেত ছায়াৰ কায়াৰ অন্তৰালত
নাজানো—
মোৰ বীণাৰ তাৰ কোন সুৰেৰেনো বন্ধা,
তথাপি বজাব লাগিব—
বহিছে মজলিচ অতিথিশালাত।
তাৰেই ক্ষীণতৰ ধ্বনিয়ে লৈ যাব খোজে
জোনালীৰে নীলা নীৰৱ তুষাৰ পুৰীলৈ।

জন্ম জন্মান্তৰ ধৰি আপোন ছায়াৰ দৰে
এৰা নাই আগুৱাই যাওঁ লগে লগে,
এই সুৰ এই ধ্বনি—
নিৰ্জীৱ তাঁৰেৰে তোলা পাব জানো প্ৰাণ ?

দুপৰ নিশাৰ কুল ভঙা ঢৌ
মিলি যায় পুৱাৰ ৰ'দৰ সুৰভিত জুৰ বতাহত,
নাজানো—
কোনোৱে কি ৰাখিব লিখি নীলা পাথৰৰ বুকুত
শ্বেত চন্দনেৰে এই স্বৰলিপি— ?



### অন্তৰালত

দীপান্বিতাৰ পাছদিনাৰ সন্ধ্যা গগনত টিমিক ঢামাককৈ জ্বলা তৰাৰ পোহৰবোৰ, দুপৰ ৰ'দত সুদূৰ মৰুৰ তপ্ত বুকুত বেদুইনৰ তৃষ্ণাবোৰ, বৰ্ষাত জুৰুলা-জুপুৰা মহানগৰীৰ ফুটপাথত বিনিদ্ৰ প্ৰাণৰ বেদনাবোৰ, ৰাজধানীৰ নেতাসকলৰ ক্ষমতালাভৰ ক্ষুধাবোৰ, শাওনৰ বৰষুণত কোটিকলীয়া ইটাৰ বেৰৰ চুকত গজি উঠা বিহফুলাৰ গোন্ধবোৰ, ৰৰাই-নোখোৱা কচুৰ মাটিত ঠেৰেঙাদি থকা দীঘল দীঘল চকুবোৰ, ডাইনীয়ে আতালত তুলি শুকাই থোৱা আপুৰুগীয়া ফেঁচাৰ আগমণ্ডহ আৰু মকৰাৰ জালবোৰ, স্কাইলেবৰ চিটিকি পৰা টুকুৰাৰ দিশহৰা গতিবোৰ, ভাটিখানাৰ সুৰাৰ পিয়লাত অৱসাদ ভৰা চুমাৰ নিচাবোৰ, তাহানিৰ সেউতী মালতীৰ খোপাৰ মৰহি যোৱা বনফুলবোৰ, জীৱন সংগ্ৰামত হাৰ মনা মানুহৰ দীঘল হুমুনিয়াহবোৰ, শঠতাৰ আওপাকে ঘূৰা চাবিকাঠিবোৰ, সূৰ্যমুখীৰ মুখৰপৰা দাঁতৰ দৰেই সৰি পৰা লেৰেলা পাহিবোৰ, পুৱাৰ বাতৰি কাগজত ওলোৱা ঘটনাবহুল কলমবোৰ আৰু ফটোগ্ৰাফবোৰ, শ্বহীদৰ ৰক্তৰ স্বাক্ষৰবোৰ, ৰেস্তোৰাঁৰ ৰান্ধনিঘৰৰ তাঁৰডালত মাথিয়ে ছাটি থকা ফটাকানিবোৰ, মৰিশালিত পৰি থকা লাওখোলাটোৰ ভিতৰেদি বৈ যোৱা সেমেকা বতাহ ছাটিৰ সোঁ সোঁ শব্দবোৰ—এই আটাইবোৰ আজি গোটাই আনি মোৰ নিজৰ তপ্ত নিশাহেৰেই সিজাবলৈ ধৰিছো এচৰু ছুৰুহা। এই ছুৰুহা ছিনথেটিক নহয়। তাক উত্তপ্ত অৱস্থাতেই ঢালি দিম মই গঢ়া এই মূৰ্তিৰ সাঁচটোত। চকুৰ পচাৰতে জুৰাই আহিব। ভয় নাখাবা, ই মধ্যযুগৰ এলকেমি নহয়—সাঁচটো



ভাঙি দিলেই অষ্টধাতুতকৈয়ো টান এটা মূৰ্তি তোমাৰ চকুৰ আগত থিয় দিব। একেবাৰে ট্ৰেন্সপাৰেণ্ট এই মূৰ্তি—যন্ত্ৰৰ নিচিনা প্ৰাণহীন নহয়। ই গতিশীল—লৰিব চৰিব, বাঢ়িব টুটিব। অতৃপ্ত নহয় এই মানৱ মূৰ্তি, হয়তো সিদ্ধিলাভ কৰা কোনো এক ঋষিহে। চোৱা চকু মেলি চোৱা, মোৰ এই সৃষ্টিত তোমাৰ প্ৰত্যাশিত সকলো সৌন্দৰ্য, সকলো গুণৰাশি লুকাই আছে। ভয় নাখাবা, এবাৰ আকৌ চকু মেলি চোৱা—তোমাৰ অতৃপ্ত বাসনাৰ আজি অৱসান হ'ব। দেখিছানে ইয়াত নাই কি? শিশুৰ অফুট কণ্ঠৰ আৰু ফুলা ফুলা সৰু ওঁঠ দুখনিৰ মাজেদি ফুটি উঠিছে হাঁহিৰ বিৰিঙনি। ৰমণীৰ ভ্ৰূভঙ্গ নয়নযুৰি—চিলিগুৰৰ নিচিনা বাহুৰে তোমাক হাত বাউলি দিছে।

প্ৰভাতৰ কিৰণে তোমাৰ চকুৰ আগৰ সেউজীয়া ওৰণিখনি আঁতৰাই তোমাৰেই সযত্নে সজোৱা ফুলনিৰ গোলাপ পাহিত ৰঙ ঢালিছে। তোমাৰ আমাৰ অন্তৰ আজি ৰূপ-ৰস আৰু সৌৰভেৰে পূৰ্ণ কৰি তুলিছে। এই মূৰ্তিত 'পাতিনা' নাই, আছে ৰামধেনুৰ বৰ্ণালীহে।

এই মুহূৰ্তত পাহৰি গৈছাতো তোমাৰ মুখত দেখা দিয়া সেই দুঃস্বপ্নৰ মাজেদি কটোৱা জীৱনৰ বিতৃষ্ণাৰ ৰেখা? হাত বুলালেই আঁতৰি যাব বাৰ্ধক্যয় তোমাৰ চকুৰ দুকাষে পেলোৱা চৰাই-চিবিকতিৰ নখ-চিহ্ন। তুমি নবীন—তুমি নৱজীৱনৰ দূত—।





শক্তি মানৱিক বা আসুৰিক। ব্যৱহাৰ বা অপচয়ত বাঢ়ে টুটে। শক্তি ঠিক যেন কুবেৰৰ গুপ্তধন। আমি আহৰণ কৰিব খোজো, কষ্টও কৰো অহৰহ। তথাপি লাভ কৰা যায় জানো? পালেও হৈ যায় অচল। এই পোৱা নোপোৱাৰ মাজত আছিল, আছে বা থাকিব এটি মূল্যহীন মূল্যবোধ। যুগধৰ্ম অনুসৰি চিৰকাল বিবৰ্তিত হ'ব আপোন গতিত।

মানুহৰ ক্ষীণ বুদ্ধিৰে গঢ়া ৰীতিনীতিৰ তালিকা—ঘুণে ধৰে আমাৰেই বিচাৰ অবিচাৰৰ দৌলতত। আজি কোৱা কথাখিনি খৰস্ৰোতা জীৱন নৈৰ ক্ষণিকতে মাৰ যোৱা বুদবুদ নহয়। আমাৰ অজনাতেই গভীৰ আঁচ টানিছে বুৰঞ্জীৰ শূন্য পাতত। এনেকৈয়ে ভৰি উঠে অতীত আৰু ভবিষ্যত ইতিহাসৰ সোণালী, ৰূপালী বা ক'লা পাতবোৰ।

মাজনিশা ফুটি উঠা 'বেথলেহাম তাৰকা পুষ্প' প্ৰভাতী তৰাই ম্লান কৰি দিয়ে। সেয়েহে কুমাৰ-মাটিৰে গঢ়া প্ৰতিমা অহৰ্নিশে ভাঙো গঢ়ো। অতৃপ্ত মোৰ বাসনা……।

চিন্তাৰ বা'মাৰলীৰ মাজত মই হ'ব পৰা নাই কষ্টি পাথৰৰ খনি। মই পম্পিয়াইৰ সেই দ্বাৰ ৰক্ষী নহও, প্ৰলয় লাভাৰ বুকুত চিৰবন্দী। মোৰ হৃদয় জিব্ৰালটাৰৰ পাথৰ খণ্ড নহয় য'ত উন্মাদ উৰ্মিমালাৰ চিৰন্তন লয়। মই পলাতক নহও, বেদনাৰ দ্বীপপুঞ্জত অচল-অটল—বিচাৰিছো মাথোঁ স্থিতপ্ৰজ্ঞ বিষ্ণুৰ আসন।

অভিজ্ঞতাৰে পুষ্ট মোৰ শক্তি—পূবৰ অৰুণ দীপ্তি পশ্চিম দিগন্তলৈ আনিব পাৰিম, ডুবাব পাৰিম ৰথচক্ৰ উত্তাল তৰংগৰাশিত।

ত্ৰিসন্ধ্যাৰ পুজাৰী ৰূপে জীৱনৰ মুক্তি দেউলত সোমাওঁ। আন্ধাৰত দেখো মাথোঁ শ্বেত পুষ্পকলি। সেই পুষ্পেৰেই অৰ্ঘ পূৰ্ণ কৰি পুজিম মোৰ মৃত্তিকা মূৰ্তিক। ফুটাই তুলিম তেওঁৰ কণ্ঠত আছে যদি জীৱনৰ কোনো গুপ্ত ইতিহাস। মোৰ এই দেৱতাক জাজ্বল্যমান কৰি তুলিবলৈ বান্ধিছো শক্তিৰ কবচ।


প্ৰেৰণাৰ দাহ অন্তত মোৰ হিয়াৰ মাজতে দেৱতা হেৰাল। স্পন্দিত ধ্বনিত মূৰ্তি পূজা অৱসানত অন্তৰ্হিত হ'ল। শ্বেত পুষ্প চন্দনৰ সুগন্ধেৰে ভৰি উঠিছিল সন্ধিয়াৰ আকাশ। মোৰেই ব্যাকুল প্ৰাণৰ টানত মৃত্তিকা মূৰ্তি জাগি উঠিছিল, তথাপি জীৱন তীৰ্থত জীৱনৰ পূৰ্ণতাৰ সন্ধান নাপালো······।

সব ক'টি কবিতা ও ছবি মিলে শেষ পর্যন্ত একটা শব্দ-বর্ণ-রেখা-আয়তনের আবর্ত সৃষ্টি হয়। সেই আবর্তে মন্থিত হয় আষাঢ়ের টেরাকোটা রঙের ঘোলা জল, সোনা বরণীয়া সরিষার ছোট ক্ষেত. পাখী হলুদীয়া, সিরুলিন নীলে ভরা আকাশতলে, অবিওলিন হলুদ আভায় কোমল আকাশীলতা। আবার এই মন্থিত অস্থির আবর্তের কেন্দ্রে দেখি অন্য মেজাজের কাব্য, অন্য ধর্মের ছবি···

যুগান্তর

'বাদুড়ের ডানার শব্দে ভাঙে নিস্তব্ধতা' অদ্ভুত এই সচেতন চিত্রকল্পে চার পাশের মোহময় জগতকে ভেঙে খান খান করে দিয়েছেন জ্বলন্ত অগ্নিপিণ্ডের মতো। 'প্রকৃতির ক্রোধ বোঝে কি মানুষ?' বেঁচে থাকার রক্তাক্ত স্বাদ যেন প্রতিবাদ মুখর হয়ে উঠেছে বারবার। সমগ্র পরিবেশের মধ্যে দেখেছেন—'ভয় পেওনা, আর একবার চোখ খুলে দেখ।' পরিচ্ছন্ন অলংকরণে কাব্যগ্রন্থটি অঙ্গে অঙ্গে নতুন হয়ে উঠেছে।

আজকাল



ভাৰতৰ শিল্পজগতত হেমন্ত মিশ্ৰ এটি সুপৰিচিত নাম। ১৯১৭ চনত শিৱসাগৰ চহৰত তেখেতৰ জন্ম হয়। তেখেতৰ পিতৃদেৱ আছিল খ্যাতনামা পণ্ডিত গৌৰীদত্ত মিশ্ৰ আৰু মাতৃদেৱী গিৰিজাসুন্দৰী আছিল বেজ-বৰুৱা পৰিয়ালৰ শিক্ষাবিদ শ্ৰীনাথ বেজবৰুৱাৰ জিয়ৰী। ল'ৰাকালৰপৰা শ্ৰীমিশ্ৰৰ শিল্প-কলাৰ প্ৰতি গভীৰ অনুৰাগ আছিল। কিশোৰ বয়সতেই তেখেতে ইংলণ্ডৰ একাডেমিচিয়ান জন হাচেলৰপৰা শিল্পকলাৰ এটি সুনিৰ্দিষ্ট পাঠ গ্ৰহণ কৰে আৰু শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰে। অসম চৰকাৰৰ প্ৰচাৰ আৰু বাতৰি বিভাগৰ সূচনা কালছোৱাত শিল্পী হিচাপে তেখেতৰ অবদান উল্লেখযোগ্য। ভাৰতৰ সৰ্বপ্ৰথম পৰ্বত আৰু ভৈয়ামৰ সাংস্কৃতিক যোগাযোগৰ কাৰণে অনুষ্ঠিত প্ৰদৰ্শনীৰ শিল্প উপদেষ্টাৰূপে তেখেতে সুনাম অৰ্জন কৰিছিল। শ্ৰীমিশ্ৰ ভাৰতৰ আধুনিক শিল্পধাৰা আন্দোলনৰ পথিকৃৎ 'কলিকতা গ্ৰুপ'ৰ অন্যতম সভ্য আছিল। বৰ্তমান তেখেত কলিকতাৰ 'একাডেমী অব ফাইন আৰ্টছ'ৰ কাৰ্যকৰী সমিতিৰ সদস্য। তেখেত নেচনেল ফিল্‌ম ডেভেলাপমেণ্ট কৰ্পোৰেচনৰ উপদেষ্টা কমিটিৰ সভ্য আছিল। আজি শ্ৰীমিশ্ৰৰ শিল্পখ্যাতি অকল ভাৰতৰ ভিতৰত সীমিত নহয় আন্তৰ্জাতিক ক্ষেত্ৰতো প্ৰতিষ্ঠিত। ইংলণ্ড আৰু আমেৰিকাৰপৰা প্ৰকাশিত বিশিষ্ট আন্তৰ্জাতিক জীৱনীসংগ্ৰহ অভিধানত তেখেতৰ জীৱনী স্থান লাভ কৰিছে। তেখেতৰ চিত্ৰ দেশ বিদেশৰ সংগ্ৰহালয়ত সংৰক্ষিত আছে। লেখক হিচাপেও শ্ৰীমিশ্ৰই সুনাম অৰ্জন কৰিছে। তেখেতৰ বহু শিল্প বিষয়ক প্ৰবন্ধ আৰু ৰম্যৰচনা অসমীয়া আৰু বাঙলা পত্ৰিকাত প্ৰকাশিত হৈ আহিছে। তেখেতে অসমীয়া আৰু বাঙলা দুই ভাষাতেই লিখে। তেখেতৰ অসমীয়া ভাষাত প্ৰকাশিত গ্ৰন্থ হ'ল—সচিত্ৰ 'অ আ ক খ' আৰু 'ভাৰতীয় চিত্ৰকলা'। বাঙলা ভাষাত প্ৰকাশিত গ্ৰন্থ হ'ল— 'ৰূপেৰ অন্তৰে ৰূপ'নামৰ এখন কবিতা সংকলন। 'দিখৌ, লুইত আৰু সাগৰ' নামৰ স্মৃতিকথামূলক গ্ৰন্থখন প্ৰকাশৰ প্ৰতীক্ষাত ৰৈছে। শিল্প সংস্কৃতিৰ ক্ষেত্ৰত অবদানৰ কাৰণে তেখেতক দিল্লীৰ অল ইণ্ডিয়া ফাইন আৰ্টছ এণ্ড ক্ৰেফটছ ছোচাইটিৰ আৰু অসম সাহিত্য সভাৰপৰা সম্বৰ্ধনা জনোৱা হৈছে।